Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ১১

গছ ভালপোৱা ককাৰ খং

অংশ - ১

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গছ-গছনিয়ে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰে। জধে-মধে গছ-গছনি কাটি তহিলং কৰিলে আমাৰ পৰিৱেশ বিনষ্ট হ'ব। গছ-গছনি অবিহনে পৃথিৱীত মানুহ নাইবা অন্য প্ৰাণী জীয়াই থকা অসম্ভব। গতিকে গছ-গছনি ৰোৱা আৰু তাৰ যত্ন লোৱা আমাৰ সকলোৰে এক মহান কৰ্তব্য।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গছ-গছনি নথকা এটি পৰিৱেশৰ কথা কল্পনা কৰি চোৱাচোন! তেনেকুৱা এটি অৱস্থাত, আমাৰ কি কি অসুবিধা হ'ব? গছ-গছনি ভালপোৱা ককা এজনৰ মনৰ কথা তোমালোকে এই পাঠটিত পাবাহঁক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাল পালোঁ ৰঘুনাথ
তুমি মোক পুতেৰাৰ
বিয়ালৈ মাতিলা,
পিছে ৰভাখন দিবলৈকে
আমলখি গছজোপা
কিয়নো কাটিলা?



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আলহী-অতিথি যাব
ৰভা নাইকিয়া হ'ব
বোৱাৰীয়ে ঘৰখন
দিবহি পূৰাই,
পিছে কোৱাচোন ৰঘুনাথ
আমলখি গছজোপা
সহজতে পাবানে ঘূৰাই?



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দৰাটিক মাতাচোন
এজোলোকা আশীৰ্বাদ
দিওঁ আৰু যাওঁ,
গছজোপা কটা বাবে
লুচি-ভাজি, ৰসগোল্লা
একোকে নাখাওঁ।



কবি- ডঃ ভবেন্দ্র নাথ শইকীয়া।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ডঃ ভবেন্দ্ৰনাথ শইকীয়া (১৯৩২-২০০৩)ৰ জন্ম নগাঁৱত। ডঃ ভবেন্দ্ৰনাথ শইকীয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক আছিল। তেখেতে শিশু-সাহিত্যিক, সাৰ্থক গল্পকাৰ আৰু চলচ্চিত্ৰ পৰিচালক হিচাপে সুখ্যাতি অৰ্জন কৰিছিল। 'শান্ত-শিষ্ট-হৃষ্ট-পুষ্ট-মহাদুষ্ট' তেখেতৰ এখনি বিখ্যাত অনাতাঁৰ শিশু নাট। শিশু কল্যাণৰ বাবে 'আৰোহণ' নামৰ অনুষ্ঠানটি তেখেতৰ সপোনৰ বাস্তৱ ৰূপায়ণ।



Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। কবিতাটোত কাৰ বিয়াৰ কথা কৈছে?

(ক) ৰঘুনাথৰ

(খ) ৰঘুনাথৰ পুতেকৰ

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। আমলখি গছজোপা কিয় কাটিলে?

(ক) ৰঘুনাথৰ জীয়েকৰ বিয়াৰ ৰভা দিবলৈ

(খ) ৰঘুনাথৰ পুতেকৰ বিয়াৰ ৰভা দিবলৈ

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। 'ক'-অংশৰ লগত 'খ'-অংশৰ অৰ্থৰ মিল থকা শব্দবোৰ আঁচ টানি মিলোৱা—

'ক' অংশ	'খ' অংশ
ৰভা	দৰব
দৰা	বৃক্ষ
গছ	বৰ
ঔষধ	কোনো অনুষ্ঠানৰ বাবে অস্থায়ীকৈ নির্মাণ কৰা চালি